सत्यमेव जयते

অসমৰ মহামান্য ৰাজ্যপাল

# শ্ৰী জানকী বল্লভ পাটনায়কৰ ভাষণ

## বাজেট অধিবেশন

অসম বিধান সভা

৪ মাৰ্চ, ২০১৩

*অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষ আৰু মাননীয় সদস্যসকল,*

অসম বিধান সভাৰ ২০১৩ চনৰ বাজেট অধিৱেশন উপলক্ষে এই পৱিত্ৰ সদনক সম্বোধন কৰিবলৈ পাই মই সুখী হৈছো। এই সুযোগতে মই আপোনালোক সদৌটিলৈকে মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। মই নিশ্চিত যে এই অধিৱেশনৰ সময়ছোৱাত বিবেচিত হোৱা আলাপ-আলোচনাসমূহে শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ পথত আমাৰ ৰাজ্যখনক আগুৱাই নিয়াত প্ৰভূত পৰিমাণে সহায় কৰিব।

ৰাজ্যখনত গণতান্ত্ৰিক পৰম্পৰা বৰ্তাই ৰখাৰ বাবে ২০১৩ চনৰ পঞ্চায়ত নিৰ্বাচন সফলতাৰে সম্পন্ন কৰা হ'ল। পঞ্চায়ত নিৰ্বাচনৰ সময়ত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ এলেকাত উদ্ভৱ হোৱা দুৰ্ভাগ্যজনক হিংসাৰ পৰিণতিত মৃত্যু বৰণ কৰা লোকসকলৰ পৰিয়ালবৰ্গৰ প্ৰতি মোৰ চৰকাৰে গভীৰ সমবেদনা জ্ঞাপন কৰিছে। কিন্তু চৰকাৰে অতি কম সময়ৰ ভিতৰতে হিংসা নিৰ্বাপিত কৰি শান্তি স্থাপন কৰিবলৈ সক্ষম হৈছে। সক্ৰিয় উগ্ৰপন্থী গোটৰ বিৰুদ্ধে যৌথ অভিযানকাৰী গোটৰ অধীনত মোৰ চৰকাৰে গ্ৰহণ কৰা বহুমুখী কৌশল, আলোচনাৰ জৰিয়তে নিষ্পত্তি বিচৰাসকললৈ আগবঢ়োৱা শান্তি প্ৰস্তাৱ আৰু বিপথে পৰিচালিত যুৱকসকলৰ পুনৰ সংস্থাপন আদি ব্যৱস্থাৰ ফলস্বৰূপে যোৱা বছৰ নতুন দিল্লীত ডি এইচ ডি-ৰ দুয়োটা ফৈদৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল। ইয়াৰ জৰিয়তে গ্ৰাম্য পৰিষদৰ স্তৰলৈকে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু সকলো সম্প্ৰদায়লৈ সুযোগ প্ৰদানৰ প্ৰস্তাৱেৰে ডিমা হাচাও জিলাত আশা আৰু সমৃদ্ধিৰ এক নতুন যুগৰ সূচনা হোৱাৰ আশা কৰা হৈছে।

আৰক্ষী বিভাগটো আধুনিকীকৰণ কৰাৰ বাবে ৰাজ্য চৰকাৰে কেইবাটাও পদক্ষেপ হাতত লৈছে। মহিলা আৰু শিশুৰ বিৰুদ্ধে হোৱা অপৰাধ প্ৰশমনৰ বাবে অসমৰ বিভিন্ন জিলাত মানৱ সৰবৰাহ প্ৰতিৰোধী গোট গঠন কৰা হৈছে। আৰক্ষী থানাবোৰত আৰক্ষীৰ মহিলা কোষ সক্ৰিয় কৰা হৈছে। মহিলা আৰু ছোৱালীৰ সুৰক্ষাৰ বাবে অসম আৰক্ষীত এটি সম্পূৰ্ণৰূপে মহিলাৰে গঠিত ফৌজ গঠন কৰা হৈছে আৰু ইয়াৰ নাম দিয়া হৈছে 'বীৰাংগনা'। নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু মেঘালয় আদি চুবুৰীয়া ৰাজ্যসমূহৰ সৈতে সীমা বিবাদবোৰ শান্তিপূৰ্ণ আলোচনাৰ মাধ্যমেৰে নিষ্পত্তি কৰাৰ অৰ্থে মোৰ চৰকাৰে চেষ্টা অব্যাহত ৰাখিছে।

বিদেশী চিনাক্তকৰণ ন্যায়াধিকৰণবোৰত নিষ্পত্তি নোহোৱাকৈ পৰি থকা গোচৰবোৰৰ কাম খৰতকীয়াকৈ নিষ্পত্তি কৰাৰ বাবে বিদেশীৰ (ন্যায়াধিকৰণ) আদেশ, ১৯৬৪ সংশোধন কৰা হৈছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ওপৰত গঠন কৰি দিয়া মন্ত্ৰীসভাৰ উপ-সমিতিয়ে ইয়াৰ প্ৰতিবেদন দাখিল কৰিছে আৰু মন্ত্ৰীসভায়ো ২০১২ চনৰ ১৬ আগষ্টত বহা বৈঠকত এই প্ৰতিবেদনত অনুমোদন দিছে আৰু যাৱতীয় কাৰ্যব্যৱস্থাৰ বাবে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়লৈ প্ৰেৰণ কৰিছে।

ৰাজ্যখনৰ ক্ষীপ্ৰ আৰু সৰ্বাংগীণ অৰ্থনৈতিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে ইয়াৰ সংকল্পসমূহ পুনৰ দোহাৰিছে। বিগত কেইটিমান বছৰত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বিকাশৰ নিৰিখ স্থিৰগতিৰে ঊৰ্দ্ধমুখী হৈছে। একেদৰে বিক্ৰীকৰ, আৱকাৰী আৰু খনিজ সম্পদ আদি খণ্ডত ৰাজহৰ পৰিমাণ বৃদ্ধি হৈছে। বিগত ২০১২ চনৰ ৩১ মাৰ্চত অসমৰ জনমূৰি ঋণৰ পৰিমাণ আছিল ৯৩৫৫.০০ টকা; যিটো আছিল দেশৰ ভিতৰতে সৰ্বনিম্ন চতুৰ্থ স্থানৰ আৰু বিশেষ শ্ৰেণীৰ ৰাজ্যবোৰৰ ভিতৰত সবাতোতকৈ কম। বিগত কেইটিমান বছৰত ৰাজ্যখনৰ আৰ্থিক সচ্ছলতাও আছিল তাৎপৰ্যপূৰ্ণ। যোৱা ৭ বছৰত ৰাজ্য চৰকাৰে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা কোনো ধৰণৰ অভাৰড্ৰাফ্ট



লোৱা নাই। ৰাজ্যখনৰ বিত্তীয় অৱস্থা বৰ্তমানে বেচ টনকিয়াল আৰু সুস্থিৰ। যোৱা ৪ বছৰত ৰাজ্য চৰকাৰে প্ৰকৃতভাৱে আহৰণ কৰা ঋণৰ পৰিমাণ ভাৰত চৰকাৰৰ বিত্ত বিভাগে নিৰ্দ্ধাৰণ কৰি দিয়া ঋণ সীমাৰ বহু তলত আছে। ৰাজ্যখনৰ সৰ্বাংগীণ বিকাশৰ বাবে বিভিন্ন উদ্ভাৱনী আঁচনি আৰু প্ৰকল্পৰ কাম হাতত লোৱাৰ বাবে আমাৰ চৰকাৰে বুজন পৰিমাণৰ ৰাজহ ৰাহি কৰিবলৈ সমৰ্থ হৈছে। আগন্তুক বছৰবোৰত ৰাজ্যখনৰ বিত্তীয় স্থিতি অধিক উন্নত হ'ব আৰু অসমক এক উচ্চ বিকাশৰ পথত উপনীত কৰিব পৰাকৈ উন্নয়নৰ পৰিসৰ বৃদ্ধি হোৱাৰ লগতে দেশৰ আগশাৰীৰ ৰাজ্যসমূহৰ মাজত অসমেও স্থান পাব।

ৰাজ্যখনৰ বিকাশৰ প্ৰতি অৰিহণা যোগোৱা প্ৰধান খণ্ডসমূহৰ ভিতৰত কৃষিখণ্ড অন্যতম আৰু চৰকাৰেও ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলৰ অৰ্থনৈতিক উন্নতিৰ প্ৰতি সৰ্ব্বাধিক অগ্ৰাধিকাৰ দিছে। আটাইবোৰ প্ৰধান সূচকৰ ক্ষেত্ৰতেই বৰ্তমানে অসমৰ কৃষি পৰিস্থিতি প্ৰগতিৰ দিশে ঊৰ্দ্ধগামী হোৱা পৰিলক্ষিত হৈছে। কৃষক শ্ৰেণীৰ উত্তৰণৰ প্ৰতি আমাৰ চৰকাৰ সংকল্পবদ্ধ আৰু সেয়ে কৃষিৰ ক্ষেত্ৰত বাজেট আৱণ্টনৰ পৰিমাণো ২০১১-১২ বৰ্ষৰ ৬৫,৩৫৭.১৫ লাখ টকাৰ পৰা ২০১২-১৩ বৰ্ষৰ বাবে ৭ শতাংশ বৃদ্ধিৰে ৬৯,৮৮৮.০৬ লাখ টকা ধাৰ্য কৰা হৈছে। ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত ৫৫.০০ লাখ মেট্ৰিকটন ধান আৰু ৫৬.০০ লাখ মেট্ৰিকটন খাদ্য শস্য উৎপাদনেৰে পূৰ্ব্বানুমান অনুসৰি বছৰটোৰ ভিতৰত ৰাজ্যখনে কৃষিৰ ক্ষেত্ৰত ৭.৫ শতাংশ বিকাশৰ নিৰিখত উপনীত হ'ব পাৰিব বুলি ভবা হৈছে। একে বছৰতে 'একেডৰা মাটিত দুটা বা ততোধিক খেতিৰ অভিযান' আঁচনিখন ৰূপায়ণৰ ফলস্বৰূপে শস্য উৎপাদন বৃদ্ধিৰ পৰিমাণ ২০১১-১২ চনৰ ১৪৬ শতাংশৰ পৰা চলিত বছৰত ১৫০ শতাংশলৈ বৃদ্ধি পাইছে। ২০১১-১২ বৰ্ষৰ সময়ছোৱাত মাহজাতীয় শস্যৰ উৎপাদন আৰু উৎপাদিকাৰ ক্ষেত্ৰত দেখুওৱা প্ৰশংসনীয় পাৰদৰ্শিতাৰ স্বীকৃতিস্বৰূপে ২০১৩ চনৰ ১৫ জানুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা এক অনুষ্ঠানত ৰাজ্য চৰকাৰক ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতিয়ে 'কৃষি কৰ্ম বঁটা' প্ৰদান কৰে। মোৰ

চৰকাৰে উৎকৃষ্ট বীজ, সময় সাপেক্ষ আহিলাপাতি আৰু পাম ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে আৱশ্যকীয় সকলো সহায় আগবঢ়াব। ধান উৎপাদনৰ পৰিমাণ বঢ়োৱাৰ বাবে সংহত পুষ্টি ব্যৱস্থাপনা আৰু নতুন প্ৰযুক্তিৰ প্ৰয়োগৰ দ্বাৰা গ্ৰীষ্মকালীন শস্যৰ অধিক উৎপাদনক্ষম প্ৰজাতিৰ অধীনত অতিৰিক্ত ২.২ লাখ হেক্টৰ অঞ্চল সামৰি লোৱাৰ জৰিয়তে আমাৰ চৰকাৰে ৬১.০০ লাখ মেট্ৰিক টন ধান উৎপাদনৰ লক্ষ্য লৈছে।

ৰাজ্যখনত হোৱা প্ৰলয়ংকৰী বানপানীৰ ফলত শস্য ক্ষতিগ্ৰস্ত হোৱাটো লাঘৱ কৰাৰ পদক্ষেপ হিচাপে মোৰ চৰকাৰে স্বৰ্ণ চাব -১ নামৰ বানপানীত ডুবি থাকিও বৰ্তি থাকিব পৰা ধানৰ প্ৰজাতিৰ ২৬,৯৭৫ কুইণ্টল বীজ বছৰটোত ৭০,৫০০ হেক্টৰ কৃষিভূমি সামৰি বিতৰণৰ লক্ষ্য লৈছে। এই বৰ্ষৰ ভিতৰত ৫০০ টা ক্ষুদ্ৰ তৈল মিল আৰু ২০০ টা দাইল প্ৰস্তুতকৰণ মিল স্থাপনেৰে এই খণ্ডটোৱে নিয়োগ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

চলিত বৰ্ষৰ ভিতৰতে কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ সাহায্যৰে বকোত এটা লাট ভঁড়াল স্থাপন কৰা হৈছিল আৰু ২০১২ চনৰ জুলাই মাহৰ পৰা ইয়াৰ কাম-কাজ চলি আছে য'ত বজাৰৰ অনিয়ন্ত্ৰিত মূল্যৰ পৰা নিম্নতম মূল্য সুৰক্ষিত কৰি উৎপাদনকাৰীসকলৰ পৰা ঠাইতে পোনপতীয়াকৈ এৰী আৰু মুগাৰ লেটা (বাহ) সমূহ ক্ৰয় কৰা হয়। ৰেচম খণ্ডৰ সৈতে নিয়োজিত ১০,০০০ পৰিয়ালক সামাজিক নিৰাপত্তা প্ৰদান কৰিবলৈ ৰূপায়ণ কৰি থকা মহিলা স্বাস্থ্য বীমা আঁচনিখনলৈ ৭৮১.৫৮ লাখ টকা প্ৰদান কৰা হৈছে। মোৰ চৰকাৰৰ অবিৰত প্ৰচেষ্টাই প্ৰতিবছৰে এৰী সূতা আৰু মুগা চিল্কৰ উৎপাদন ক্ৰমে ১০৬২ মেট্ৰিকটন আৰু ১১৪ মেট্ৰিকটনলৈ বৃদ্ধি কৰিছে।

অসমৰ বৃহৎ সংখ্যক লোকৰ অৰ্থনীতিত অসমৰ মীন খণ্ডই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে। খণ্ডটোৱে গ্ৰামীণ অৰ্থনীতিলৈ আগবঢ়োৱা বৰঙণিৰ প্ৰতি লক্ষ্য ৰাখি মোৰ চৰকাৰে এই খণ্ডটোৰ উন্নয়নৰ বাবে যথোচিত গুৰুত্ব প্ৰদান কৰি আছে। বিগত কেইবাটাও বছৰত ২.৪৩ লাখ মেট্ৰিকটনতকৈও



অধিক উৎপাদন বৃদ্ধিৰে মৎস্য উৎপাদনে ইতিবাচক বিকাশ প্ৰদৰ্শন কৰিছে। ই নিয়োগৰ সুবিধা প্ৰদান কৰাৰ লগতে মাছমৰীয়াসকলৰ উপাৰ্জন বৃদ্ধি কৰিছে।

সম্পূৰ্ণ গ্ৰাম্য পৰিৱৰ্তনৰ বহুল সুযোগ প্ৰদানেৰে পশুপালনে কৃষকৰ উপাৰ্জন বৃদ্ধি তথা নিয়োজন বৃদ্ধিৰ সুবিধা প্ৰদান আৰু সমাজৰ দৰিদ্ৰ সম্প্ৰদায়ৰ উত্তৰণত এক বলিষ্ঠ ভূমিকা পালন কৰি আছে। ৰাজ্যখনত দুগ্ধ উৎপাদন ক্ষীপ্ৰ গতিত বৃদ্ধি পাইছে। দুগ্ধ সমবায় সমিতিৰ সংখ্যা ২০০৬-০৭ বৰ্ষৰ ১৮২ খনৰ পৰা ২০১১-১২ বৰ্ষত ৪৯৪ খনলৈ বৃদ্ধি হৈছে। একে প্ৰকল্পৰ অধীনত ৩০০-খনৰো অধিক দুগ্ধ উৎপাদক প্ৰতিষ্ঠান গঠন কৰা হৈছে। ৰাজ্যখনত প্ৰতিদিনৰ দুগ্ধ উৎপাদন সামৰ্থ্য ২০০৬-০৭ বৰ্ষত ১৫,০০০ লিটাৰৰ পৰা ২০১১-১২ বৰ্ষত ১,১৫,৫০০ লিটাৰলৈ বৃদ্ধি পাইছে। গাখীৰৰ স্বাস্থ্যসন্মত উৎপাদন আৰু সেৱনৰ বাবে এখন ব্যাপক সজাগতা কাৰ্যসূচী আৰম্ভ কৰা হৈছে। ব্যৱসায়িক ভিত্তিত দুগ্ধ পাম স্থাপনৰ বাবে চৰকাৰী সাহায্য লাভ কৰাৰ বাবে ১০ গৰাকী দুগ্ধ পালকক প্ৰাথমিকভাৱে বাছনি কৰা হৈছে।

২০১২-১৩ বৰ্ষৰ সময়ছোৱাত অসম ক্ৰমাগতভাৱে তিনিটা অভূতপূৰ্ব বানপানীৰ কবলত পৰিছিল। অসমৰ ২৭ খন জিলাৰ আটাইকেইখনে এই বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত হৈছিল আৰু প্ৰায় ৩৬ লাখ লোক বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। দুখজনকভাৱে ১৪৯ জন লোকেও প্ৰাণ হেৰুৱাইছিল। ৰাজ্য চৰকাৰে এই বানপানী সমূহৰ দ্বাৰা সৃষ্টি কৰা যন্ত্ৰণা তথা কষ্ট লাঘৱ কৰিবলৈ সকলো প্ৰকাৰৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। পৰ্যাপ্ত খাদ্য সামগ্ৰী, খোৱাপানী আৰু স্বাস্থ্যসেৱা ইত্যাদি প্ৰদান কৰিবলৈ যুদ্ধকালীন গতিৰে সাহায্য আৰু পুনৰ সংস্থাপনৰ কাম-কাজসমূহ চলাই নিয়া হৈছিল। প্ৰায় ১০ লাখ বানপীড়িত লোকৰ বাবে সৰ্বমুঠ ১৮৩৭ টা শিবিৰ স্থাপন কৰা হৈছিল। ২০১২ চনৰ জুলাইত কোকৰাঝাৰ, চিৰাং, বঙাইগাও আৰু ধুবুৰী জিলাত সংঘটিত হোৱা গোষ্ঠী সংঘৰ্ষৰ সময়তো পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ ক্ষেত্ৰত চৰকাৰে তাৎক্ষণিকভাৱে সঁহাৰি জনাইছিল।

ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহলৈ সাহায্য আৰু পুনৰ সংস্থাপন প্ৰদান

কৰিবলৈ চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে বৰ্তমানলৈ ৮৯.৯১ কোটি টকা মোকোলাই দিয়া হৈছে। ৰাজ্যিক জৰুৰীকালীন সঁহাৰি গোট, শৈক্ষিক প্ৰতিষ্ঠান, চিকিৎসালয়, মানৱীয় সংস্থা ইত্যাদিসমূহক গুৱাহাটী মহানগৰীত সংঘটিত হ'ব পৰা নগৰীয়া প্ৰলয়ৰ সৈতে মুখামুখি হ'বলৈ প্ৰস্তুত কৰি তোলাৰ অৰ্থে তেওঁলোকক সবলীকৰণ তথা সামৰ্থতা বৃদ্ধি কৰিবলৈ ২০১২ চনৰ ২৯ অক্টোবৰৰ পৰা ৪ নৱেম্বৰলৈ গুৱাহাটী জৰুৰীকালীন পৰিশীলন-২০১২ শীৰ্ষক এক সপ্তাহজোৰা অভিনয় অনুশীলন অনুষ্ঠিত কৰা হৈছিল।

মোৰ চৰকাৰে ৮৮৪ সংখ্যক খহনীয়া প্ৰতিৰোধ পৰিগাঁথনিসহ ৪৪৭৩.৮২ কিঃমিঃ মথাউৰি, ৯৪ টা বৃহৎ শ্লুইচ আৰু ৫৪৫ টা ক্ষুদ্ৰ শ্লুইচ নিৰ্মাণ কৰিছে— যি ৰাজ্যখনৰ ১৬.৫০ লাখ হেক্টৰ ভূমিক বানপানীৰ পৰা সুৰক্ষিত কৰিছে। ৮৭৪.৯৭ কিঃমিঃ নলা-নৰ্দমাও খন্দা হৈছে। মোৰ চৰকাৰে 'অসম সংহত বানপানী আৰু নৈপৰীয়া খহনীয়া শংকা পৰিচালন প্ৰকল্প'খন আৰম্ভ কৰিছে যিয়ে ১,১০,০০০ হেক্টৰ অঞ্চলৰ ডিব্ৰুগড়, কাজিৰঙা আৰু পলাশবাৰীৰ ৩ টা নিৰ্বাচিত উপ প্ৰকল্প অঞ্চলৰ প্ৰায় ১০,০০,০০০ লোকক উপকৃত কৰিব। বানপানী ব্যৱস্থাপনাৰ ক্ষেত্ৰত গৰাখহনীয়াক মুখ্য উদ্বিগ্নতাৰ কাৰক হিচাপে চিহ্নিত কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰস্তাৱিত ব্ৰহ্মপুত্ৰ নদী উপত্যকা কৰ্তৃপক্ষ স্থাপন আমাৰ সকলোৰে বাবে কাম্য। মাজুলীক বানপানী আৰু গৰাখহনীয়াৰ পৰা ৰক্ষা কৰা আৰু ইয়াক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে আমাৰ চৰকাৰৰ অবিৰত প্ৰচেষ্টা অব্যাহত থাকিব। নামনি সোৱণশিৰি প্ৰকল্প সন্দৰ্ভত ভটিয়নি অঞ্চলত বসবাস কৰা জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি নজৰ ৰাখি আৰু ৰাজ্যখনৰ বাবে এই প্ৰকল্পটোৰ পৰা অধিক বিদ্যুৎ বিচাৰি এই প্ৰকল্পৰ ক্ষীপ্ৰ সমাপনৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

গ্ৰামাঞ্চলৰ লোকসকলৰ অৰ্থনৈতিক অৱস্থাৰ উন্নীতকৰণ আৰু



গ্ৰামাঞ্চলৰ দাৰিদ্ৰতা নিৰ্মূলকৰণৰ ওপৰত মোৰ চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই উদ্দেশ্যত উপনীত হ'বলৈ চৰকাৰে এম জি এনৰেগা, আই এ ওৱাই, এচ জি এছ ওৱাই/এন আৰ এল এম, এন এছ এ পি, ডি ডি পি, বি আৰ জি এফ ইত্যাদিৰ লেখীয়া বিভিন্ন দাৰিদ্ৰতা দূৰীকৰণ আঁচনি ৰূপায়ণ কৰি আছে। চলিত বৰ্ষৰ সময়ছোৱাত বৰ্তমান ৩৯.৩২ লাখ গ্ৰামাঞ্চলৰ পৰিয়ালক জব কাৰ্ড প্ৰদান কৰা হৈছে আৰু ২০৩.৬৮ লাখ 'কৰ্ম দিন' সৃষ্টি কৰা হৈছে। ইন্দিৰা আৱাস যোজনাৰ অধীনত ২০১২-১৩ বৰ্ষৰ বাবে ১,৮৪,৪০৮ টা গৃহ নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰা হৈছে। ইয়াৰে ১.৬ লাখ গৃহ ইতিমধ্যে নিৰ্মাণ কৰা হৈছে। ৮০ বছৰ বয়সীয়া বৃদ্ধ লোকৰ বাবে বৃদ্ধ পেঞ্চন প্ৰতিমাহে ২৫০ টকাকৈ প্ৰদান কৰা হৈছিল আৰু এতিয়া এই ধনৰ পৰিমাণ প্ৰতিমাহে ৫০০ টকালৈ বৃদ্ধি কৰা হৈছে। মুখ্য মন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত দৈনিক হাজিৰা কৰা লোকসকলৰ বাবে স্ব-নিয়োজন আঁচনিখন ৰূপায়ণ কৰি থকা হৈছে আৰু এই আঁচনিখনৰ পৰা ৩০০০তকৈ অধিক পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে। ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত বিভিন্ন আঁচনি ৰূপায়ণৰ অৰ্থে ৪৪ টা উন্নয়ন খণ্ডক সামৰি লোৱা হৈছে আৰু ৮০০ গৰাকী সমূহীয়া সমল ব্যক্তিক প্ৰশিক্ষণ দিয়া হৈছে।

আৰ্থ-সামাজিক আৰু জাতি পিয়ল-২০১১ৰ কাম চলি আছে আৰু এই পিয়ল পৰৱৰ্তী দুই মাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। এই পিয়লৰ ফলাফলে বিভিন্ন ব্যৱস্থাৰ জৰিয়তে উপান্ত গোট আৰু দুখীয়া পৰিয়ালক সামৰি লোৱাৰ লক্ষ্য নিৰ্দ্ধাৰণত চৰকাৰক সহায় কৰিব। ২০07 চনৰ পৰা ৰাজ্যখনত পিচপৰা অঞ্চল অনুদান পুঁজি আঁচনিখন ৰূপায়ণ কৰা হৈছে। বৰপেটা, বঙাইগাঁও, কাছাৰ, ধেমাজি, গোৱালপাৰা, হাইলাকান্দি, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, মৰিগাঁও, ডিমা হাচাও, চিৰাং আৰু বাগচা— এই ১৩ খন জিলাত এই আঁচনিৰ ৰূপায়ণৰ কাম চলি আছে।

শিক্ষা খণ্ডত, মোৰ চৰকাৰে পৰৱৰ্তী বিত্তীয় বৰ্ষৰ সময়ছোৱাত ১৫০০ খন মাধ্যমিক বিদ্যালয় প্ৰাদেশিকীকৰণ কৰিব। আমাৰ চৰকাৰে অসমৰ ৪ খন উন্নত ফলাফল প্ৰদৰ্শন কৰা চৰকাৰী মাধ্যমিক বিদ্যালয়ত ডিজিটেল শ্ৰেণীকোঠা স্থাপন কৰিছে। অসমৰ চৰকাৰী মাধ্যমিক বিদ্যালয় সমূহত স্মাৰ্ট শ্ৰেণী প্ৰৱৰ্তন কৰা হ'ব। মোৰ চৰকাৰে ৰাজ্যখনৰ সকলো প্ৰাদেশিকীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা প্ৰৱৰ্তন কৰিব বুলি ঘোষণা কৰিছে। ২০১৩ চনৰ ২৪ মাৰ্চ তাৰিখে মাধ্যমিক শিক্ষাৰ বাবে শিক্ষকৰ যোগ্যতা নিৰূপণকাৰী পৰীক্ষা (টে'ট) অনুষ্ঠিত হ'ব। ইয়াৰ ফলত প্ৰায় ৫০০০ জন স্নাতক শিক্ষকে নিযুক্তি লাভ কৰিবলৈ সক্ষম হ'ব। ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱৰ উন্মেষ ঘটোৱাৰ উদ্দেশ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু অসম হাই মাদ্ৰাছা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক লেপ্‌টপ প্ৰদান কৰা আঁচনিখন এই বছৰো অব্যাহত থাকিব। এখন মাদ্ৰাছা বিশ্ববিদ্যালয় স্থাপন, মাদ্ৰাছা শিক্ষাৰ বাবে এখন প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপন আৰু মাদ্ৰাছা প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা হৈছে। এই উদ্দেশ্যে ৰাজ্যখনত এখন উচ্চতৰ শিক্ষা অভিযান স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে মুঠ ৪১ খন মহাবিদ্যালয়ৰ প্ৰতিখনলৈ ১.০০ কোটি টকাকৈ আগবঢ়োৱা হৈছে। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২.২০ কোটি টকা প্ৰদান কৰা হৈছে। গোলাঘাট, কৰিমগঞ্জ আৰু ধেমাজিত তিনিখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰা হৈছে। মোৰ চৰকাৰে ২০১৩ চনৰ মাৰ্চৰ ভিতৰত টে'ট উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ মাজৰ পৰা নিয়মীয়া খালী পদৰ বিপৰীতে ১১,৫০০ জন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক নিযুক্তি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। 'অসম ভেঞ্চাৰ শৈক্ষিক প্ৰতিষ্ঠান (সেৱাৰ প্ৰাদেশিকীকৰণ) আইন ২০১১, সংশোধিত ২০১২'ৰ অধীনৰ ব্যৱস্থা অনুসৰি ২০০২ চনৰ আগতে স্থাপিত অথবা স্বীকৃতিপ্ৰাপ্ত সকলোবোৰ যোগ্য শিক্ষানুষ্ঠানকে ২০১৩ চনৰ মাৰ্চৰ ভিতৰত প্ৰাদেশিকীকৰণ



কৰা হ'ব। সকলো প্ৰাথমিক বিদ্যালয়ৰ ক-শ্ৰেণী (নিম্ন প্ৰাথমিক)ৰ পৰা অষ্টম শ্ৰেণীত পঢ়ি থকা সকলো ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া পাঠ্যপুথি আগবঢ়োৱা হৈছে। সৰ্বশিক্ষা অভিযানৰ অধীনত পিতৃ-মাতৃৰ যত্নৰ পৰা বঞ্চিত হোৱা শিশুসকলৰ বাবে দুখন আৱাসিক বিদ্যালয় স্থাপন কৰা হৈছে। ইয়াৰে এখন গুৱাহাটীত আৰু আনখন শিলচৰত স্থাপন কৰা হৈছে।

মোৰ চৰকাৰে ৰাজ্যখনৰ সমূহ জনসাধাৰণৰ বাবে গুণগত স্বাস্থ্য প্ৰযত্ন সেৱা আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ। অসমৰ প্ৰসূতিৰ মৃত্যুৰ অনুপাত (এম এম আৰ) ২০০৪-০৬ বৰ্ষৰ সময়ছোৱাৰ ৪৮০ ৰ পৰা ২০০৭-০৯ বৰ্ষৰ সময়ছোৱাত ৩৮১ লৈ হ্ৰাস পাইছে। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ সময়ছোৱাত প্ৰসূতিৰ মৃত্যুৰ হাৰ ৯৯ পইণ্টলৈ হ্ৰাস পাইছে, যিটো ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ সময়চোৱাত দেশৰ ভিতৰতে সৰ্বনিম্ন। অসমৰ শিশুৰ মৃত্যুৰ হাৰ (আই এম আৰ) ২০০৫ চনত হোৱা ৬৮ ৰ পৰা ৫৫ লৈ হ্ৰাস পাইছে। ২০১১ চনত আৰ আৰ চি-এন ই য়ে কৰা মূল্যায়ণ জৰীপৰ শেহতীয়া প্ৰতিবেদন অনুসৰি অসমৰ প্ৰাতিষ্ঠানিক প্ৰসৱৰ হাৰ হ'ল ৭৩.২০ শতাংশ। প্ৰসৱোত্তৰ প্ৰযত্ন আৰু প্ৰসৱৰ পিছত ৪৮ ঘন্টা পৰ্যন্ত চিকিৎসালয়ত থকাটো সুনিশ্চিত কৰাৰ অৰ্থে ২০১২ চনৰ ডিচেম্বৰলৈকে ৬,১৫,৪৪১ গৰাকী হিতাধিকাৰীলৈ 'মমতা কিট' বিতৰণ কৰা হৈছে। সম্প্ৰতি ৰাজ্যখনৰ স্বাস্থ্য সেৱা উপলব্ধ নোহোৱা আৰু সামৰি নোলোৱা অঞ্চললৈ স্বাস্থ্য সেৱা আগবঢ়োৱাৰ অৰ্থে ৫০ টা ভ্ৰাম্যমাণ চিকিৎসা গোটে কাম-কাজ চলাই আছে। তথা ৰাজ্যখনৰ নদী কাষৰীয়া অঞ্চল আৰু চৰ অঞ্চলত স্বাস্থ্য সেৱা প্ৰদান কৰাৰ অৰ্থে ১৩ খন জিলাত ১৫ খন নৌকা ক্লিনিকে কাম-কাজ চলাই আছে। মোৰ চৰকাৰে ৰাজ্যখনত আয়ুস (AYUSH) চিকিৎসা ব্যৱস্থাটো উন্নীতকৰণ কৰাৰ অৰ্থে বিভিন্ন ব্যৱস্থা আৰু পদক্ষেপ লৈ আছে। গুৱাহাটীৰ চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় আৰু গুৱাহাটীৰ এছ জে এন হোমিওপ্যাথি মহাবিদ্যালয়ক সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে যথাক্ৰমে আয়ুৰ্বেদিক আৰু হোমিওপ্যাথি শিক্ষাৰ প্ৰধান কেন্দ্ৰস্থল হিচাপে গঢ়ি তুলিবলৈ উন্নীতকৰণৰ ব্যৱস্থা হাতত লোৱা হ'ব।

সৰ্বহাৰা আৰু গ্ৰামাঞ্চলৰ জনসাধাৰণৰ জীৱন সলনিৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ চৰকাৰে সমবায় খণ্ডটোক যথোচিত সমৰ্থন প্ৰদান কৰিবলৈ বিচাৰিছে। সংবিধানৰ ৯৭ তম সংশোধনীত অন্তৰ্ভুক্ত আৰু ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ তথা নাবাৰ্ডৰ সৈতে স্বাক্ষৰিত বুজাবুজিৰ চুক্তি মতে সমবায় ঋণ গাঁথনিৰ বাবে এক পৃথক খণ্ড অন্তৰ্ভুক্ত কৰিবলৈ অসম বিধান সভাৰ শীতকালীন অধিৱেশনত সমবায় সমিতি আইন, ২০০৭ খন সংশোধন কৰা হৈছে।

সমবায় বিভাগে চিনাক্ত কৰা গুৰুত্বপূৰ্ণ এলেকাসমূহ হ'ল ঃ (ক) ২০১০ চনত শিৱসাগৰত স্থাপন কৰা (ARGUCOM) অসম ৰাজীৱ গান্ধী সমবায় ব্যৱস্থাপনা বিশ্ববিদ্যালয়খন কাৰ্যক্ষম কৰি তোলা; (খ) বৈজ্ঞানিকভাৱে প্ৰস্তুত কৰা খাদ্য শস্যৰ ভঁৰাল, গ্ৰাম্য ভঁৰাল আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থাক স্বচ্ছতা প্ৰদান কৰা; (গ) কৃষি আৰু ইয়াৰ আনুসংগিক কাৰ্যৰ বাবে ঋণ সৰবৰাহ সুনিশ্চিত কৰাৰ বাবে ক্ষুদ্ৰ বিত্তীয় আঁচনি; (ঘ) মহিলাৰ অৰ্থনৈতিক সৱলীকৰণ আৰু (ঙ) সমবায় বেংক খণ্ড।

অসমত গাঁও পঞ্চায়ত পৰ্যায়ৰ ২,৪৮৬ খন বহুমুখী মহিলা সমবায় সমিতি আছে। বিগত দশকটোত ৰাজ্যখনৰ বেংক খণ্ডই এক অভূতপূৰ্ব সক্ৰিয়তা বৃদ্ধি প্ৰত্যক্ষ কৰিছে আৰু প্ৰতিযোগিতাৰ বাতাৱৰণৰ পৰ্যায়ো উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। ৰাজ্যখনৰ নিবনুৱাসকলৰ বাবে নিয়োজনৰ সুবিধাৰ সৃষ্টিৰ লগতে ক্ষুদ্ৰ আৰু উপান্ত ব্যৱসায়ীসকললৈ ঋণ প্ৰদানৰ ক্ষেত্ৰত ৰাজ্যখনৰ ৮টা নগৰীয়া সমবায় বেংকে এক বলিষ্ঠ ভূমিকা পালন কৰি আছে।

মুখ্য মন্ত্ৰীৰ অসম বিকাশ যোজনা আৰু অসম বন সুৰক্ষা বাহিনী আঁচনিৰ অধীনত বিভাগে গুৱাহাটীৰ আভ্যন্তৰীণ আৰু চৌপাশৰ সেউজ আৱৰণ বৃদ্ধি কৰিবলৈ অসম বন সুৰক্ষা বাহিনীৰ কৰ্মী নিয়োগ কৰি আঠটা ছাউনী আৰু নিৰীক্ষণ শিবিৰ স্থাপনসহ গুৱাহাটীৰ পাহাৰসমূহত ব্যাপক বৃক্ষৰোপনৰ কাৰ্যসূচী হাতত লৈছে। মোৰ চৰকাৰে হাতত লোৱা 'অৰণ্য' হ'ল মুক্ত উৎস



প্ৰযুক্তি ব্যৱহাৰ কৰা মড্যুলভিত্তিক উপগ্ৰহীয় (spatial) সিদ্ধান্ত সমৰ্থিত ব্যৱস্থা। বন বিভাগৰ বিভিন্ন ক্ষেত্ৰসমূহৰ বাবে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ই সহায় কৰে। এই পদ্ধতিটোৰ মুখ্য কাম-কাজসমূহে নিম্নোক্ত বিষয়সমূহ সামৰি লয়— (ক) বৃক্ষৰোপণৰ স্থানসমূহ চিনাক্তকৰণ, (খ) বন্যপ্ৰাণীসমূহৰ বাবে বাসস্থান উপযোগী বিশ্লেষণ, (গ) কাৰ্বনপুলৰ সম্পূৰ্ণ তালিকা, (ঘ) ভূমি ব্যৱহাৰ আৰ্হিৰ বিশ্লেষণ, (ঙ) বন অপৰাধৰ বিশ্লেষণ। অসম হ'ল দেশৰ ভিতৰতে প্ৰথম ৰাজ্য যিয়ে নেকি ব্যাঘ্ৰ প্ৰকল্পত উন্নত সংৰক্ষণ আৰু ব্যৱস্থাপনৰ বাবে কাজিৰঙা, নামেৰি আৰু মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ বাবে ব্যাঘ্ৰ সংৰক্ষণ ন্যাস গঠন কৰিছে আৰু এই ন্যাসক কাৰ্যক্ষম কৰিবলৈ ৰাজ্যখনৰ বাবে ব্যাঘ্ৰ সংৰক্ষণ বিধিৰ জাননী জাৰি কৰিছে। বন আৰু ইয়াৰ সম্পদসমূহৰ ওপৰত পৰা বৰ্দ্ধিত হেঁচাৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ দ্বিতীয় অসম বন সুৰক্ষা বাহিনী গঠন কৰা হৈছে। আইনখনক আৰু অধিক শক্তিশালী কৰাৰ বাবে কেন্দ্ৰীয় বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ খন সংশোধন কৰা হৈছে। এই সংশোধন, যাক বন্যপ্ৰাণী (সুৰক্ষা) (অসম সংশোধনী) আইন বুলি জনা যায়। সেই অনুসৰি এই আইনৰ অধীনৰ প্ৰত্যেকটো অপৰাধ ১৯৭৩ চনৰ ফৌজদাৰী বিধিৰ ব্যৱস্থাপনাৰ অধীনত বিচাৰযোগ্য আৰু জামিন বিহীন অপৰাধ হিচাপে বিবেচিত হ'ব।

ৰাজ্যখনৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ দক্ষ পৰিচালন আৰু ক্ষীপ্ৰ সেৱা উপলব্ধকৰণৰ বাবে মোৰ চৰকাৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহত সামৰ্থ্য বৃদ্ধি; বৃত্তিগত বাতাৱৰণ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তদুপৰি ৰাজ্যখনত ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ ফলাফল উন্নতকৰণ, দায়বদ্ধতা আৰু নিৰীক্ষণ সম্বন্ধীয় বুজাবুজিৰ চুক্তি আৰু প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা বিশ্লেষণ ৰূপায়ণৰ বাবে প্ৰাতিষ্ঠানিক পৰামৰ্শদাতাৰ জৰিয়তে এক অধ্যয়ন চলোৱা হৈছে। চলিত বিত্তীয় বৰ্ষত মোৰ চৰকাৰে ৰাজ্যিক পৰ্যায়ৰ ৰাজহুৱা প্ৰতিষ্ঠানৰ বাবে কিছুসংখ্যক উদ্ভাৱনী আঁচনি প্ৰাৰম্ভণ কৰিছে। সেই সমূহৰ ভিতৰত কিছুসংখ্যক ৰাজহুৱা

প্ৰতিষ্ঠানত ইয়াৰ ব্যৱস্থাপনা তথ্য পদ্ধতিৰ উন্নীতকৰণৰ বাবে তথ্য প্ৰযুক্তিৰ আন্তঃগাঁথনি শক্তিশালীকৰণ তথা ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ হিচাপৰ কম্পিউটাৰকৰণ আৰু প্ৰযুক্তি উন্নীতকৰণ। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহ আৰু কৰ্প'ৰেট প্ৰশাসন পৰিষদসমূহৰ কাৰ্যক্ষমতা বৃদ্ধিৰ ওপৰত উন্নত প্ৰশিক্ষণ লোৱাৰ বাবে চৰকাৰ আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কিছুসংখ্যক বিষয়াক আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু দেশৰ বিভিন্ন অঞ্চললৈ পঠোৱা হৈছে।

মোৰ চৰকাৰে ৰাজ্যখনৰ সুষম অৰ্থনৈতিক উন্নয়নৰ বাবে তথা প্ৰতিদিনে বৃদ্ধি পাই থকা স্থানীয় নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুবিধা সৃষ্টিৰ অৰ্থে নিয়োগমুখী সা-সুবিধা সৃষ্টিৰ কামত মনোনিবেশ কৰিছে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া ঔদ্যোগীক খণ্ডৰ বিকাশত সহায় কৰাৰ বাবে আমাৰ চৰকাৰে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ স্থাপনৰ প্ৰতি আৰু উদ্যোগীকৰণ তথা দক্ষতা বৃদ্ধি প্ৰশিক্ষণৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা দিয়াৰ বাবে বিশেষ মনোযোগ দিছে। বিগত পাঁচ বছৰত ৬,৪১৪ টা অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰা হৈছে আৰু এই উদ্যোগসমূহে প্ৰায় ৪৬,৯৫৫ গৰাকী লোকক নিয়োগৰ সুবিধা প্ৰদান কৰিছে। তদুপৰি পি এম ই জি পি আঁচনিৰ অধীনত স্থানীয় উদ্যোগী লোকসকলৰ দ্বাৰা ৩,৬৮২ টা উদ্যোগ স্থাপন কৰা হৈছে। যাৰ ফলত প্ৰায় ২৫,৭৩৮ গৰাকী লোকৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি হৈছে।

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ পৰম্পৰাগত চাহপাত আৰু হস্তশিল্পজাত সা-সামগ্ৰীৰ ক্ষেত্ৰত 'অসম' ব্ৰেণ্ডৰ জনপ্ৰিয়কৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। চীনকে আদি কৰি দক্ষিণ-পূব এচীয়াৰ দেশসমূহৰ সৈতে সম্পৰ্কৰ উন্নয়ন আৰু বাণিজ্যিক যোগসূত্ৰৰ সন্ধানৰ দ্বাৰা সবল অৰ্থনৈতিক সহযোগিতাৰে পূবলৈ চোৱা নীতি সন্তোষজনকভাৱে আগবঢ়াই নিয়া হৈছে।

মোৰ চৰকাৰে সমগ্ৰ ৰাজ্যখনতে পথ সংযোগ ব্যৱস্থাটোৰ উন্নয়ন সাধনৰ অৰ্থে বহুতো পদক্ষেপ হাতত লৈছে। পথ আৰু দলঙৰ উন্নয়ন আৰু নিৰ্মাণৰ বাবে কেইবাখনো আঁচনি যেনে— মুখ্য মন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি



(এম পি এন এ), মুখ্য মন্ত্ৰীৰ পকী দলং নিৰ্মাণ আঁচনি (এম পি ডি এন এ), অসম বিকাশ যোজনা (এ বি ৱাই), ৰাজ্যিক বাৰ্ষিক পৰিকল্পনা, এছ চি চি পি আৰু টি এছ পি আঁচনি ইত্যাদি গ্ৰহণ কৰা হৈছে। তদুপৰি, পথ আৰু দলং নিৰ্মাণৰ বাবে বিশ্ব বেংক, এচীয়ান ডেভেলপ্‌মেন্ট বেংক আৰু নাবাৰ্ডৰ বিত্তীয় সাহায্যত কেতবোৰ অতিৰিক্ত আঁচনি হাতত লোৱা হৈছে। ইতিমধ্যে সকলো বতৰৰে উপযোগী ২০,০০০ কিঃ মিঃতকৈ অধিক দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হৈছে আৰু ২,৯০০ খনতকৈ অধিক পকী দলং নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰি ৫০০০ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ আৰু ১,২৫০ খন পকী দলং নিৰ্মাণৰত অৱস্থাত আছে। অসমত মুঠ ২,৮৪৮ কিঃ মিঃ দৈৰ্ঘ্যক সামৰি ২৪টা ৰাষ্ট্ৰীয় ঘাইপথ আছে। বৰ্তমান ৬৪৪ কিঃ মিঃ দৈৰ্ঘ্যৰ পথ ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ (এন এইচ এ আই)ৰ অধীনত আছে আৰু ইয়াৰ চাৰিলেনযুক্ত পূব-পশ্চিম কৰিড'ৰ প্ৰকল্পৰ নিৰ্মাণৰ কাম অব্যাহত আছে। আন ২৫৩ কিঃ মিঃ পথৰ নিৰ্মাণ সীমান্ত পথ সংস্থাৰ অধীনত চলি আছে আৰু বাকী থকা ১৯৫১ কিঃ মিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম গড়াকাপ্তানী (গৃহ আৰু ৰাষ্ট্ৰীয় পথ) বিভাগৰ অধীনত চলি আছে।

মোৰ চৰকাৰে ২০১৪ চনৰ ডিচেম্বৰৰ ভিতৰত চাৰিলেনযুক্ত পূব-পশ্চিম কৰিড'ৰৰ কাম সম্পূৰ্ণ কৰাৰ অৰ্থে আৰু এই বছৰৰ ভিতৰতে নুমলীগড়ৰ পৰা ডিব্ৰুগড়লৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেনযুক্ত পথৰ কাম আৰম্ভ কৰিবলৈ ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণক নিৰ্দেশ দিছে। জামুগুৰি আৰু গহপুৰৰ মাজেৰে নগাঁও বাইপাছৰ এটা মূৰৰ পৰা অসম-অৰুণাচল সীমান্তৱৰ্তী হলংগিলৈ চাৰিলেনযুক্ত পথৰ কাম সোনকালে আৰম্ভ কৰাৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। টেকেলিপোটাৰ মাজেৰে মাজুলীক সংযোগ কৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজত দুটা বিচ্ছিন্ন হৈ থকা পথৰ পুনৰ নিৰ্মাণৰ বাবে আৰু ধোদৰ আলিক ৰাষ্ট্ৰীয় ঘাইপথৰ মানলৈ উন্নীত কৰাৰ বাবে মোৰ চৰকাৰে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সৈতে

যোগাযোগ কৰিছে। গহপুৰ আৰু নুমলীগড়ৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত চাৰিলেনযুক্ত পথ থকা এখন দলং নিৰ্মাণৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে।

পৰিকল্পনা, নক্সা প্ৰস্তুতকৰণ আৰু পানীযোগান আঁচনিৰ ৰূপায়ণ, পৰ্যাপ্ত অনাময়ৰ সা-সুবিধা সুনিশ্চিতকৰণ আৰু পছন্দ তথা সাধ্যানুসাৰি পৰিষ্কাৰ-পৰিচ্ছন্নতাক উদগণি যোগোৱাৰ দ্বাৰা অসমৰ গ্ৰামাঞ্চললৈ বিশুদ্ধ খোৱাপানী আৰু অনাময় ব্যৱস্থা প্ৰদান কৰাৰ অৰ্থে মোৰ চৰকাৰে ইয়াৰ কৰণীয়খিনি কৰি আছে। বিগত দশকত পানীযোগান খণ্ডটোত গ্ৰাম্য বাসস্থানক অধিকভাৱে সামৰি লোৱাৰ জৰিয়তে আৰু অনাময় খণ্ডটোত পৰিয়ালবোৰৰ বাবে প্ৰস্ৰাৱগাৰ নিৰ্মাণৰ দ্বাৰা গ্ৰাম্য পানীযোগান আৰু অনাময় খণ্ডটোৰ ক্ষেত্ৰত অসমত এক উল্লেখযোগ্য সাফল্য পৰিলক্ষিত হৈছে। গ্ৰাম্য খোৱাপানী যোগান আঁচনিৰ অধীনত সৰ্বমুঠ ৪৯,০৯৩ টা বাসগৃহ সামৰি লোৱা হৈছে। খোৱাপানী যোগান আঁচনিৰ অধীনত ২০১২-১৩ বৰ্ষত ৮৯খনতকৈও অধিক বিদ্যালয়ক সামৰি লোৱা হৈছে আৰু দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ বাবে ১,৪৪,৩৩৪টা ব্যক্তিগত শৌচাগাৰ নিৰ্মাণ কৰা হৈছে।

মহিলা, শিশু, অক্ষম ব্যক্তি আৰু সমাজৰ বৃদ্ধ তথা অলৰ-অচৰ লোকসকলৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰতি মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ, যিহেতু এই লোকসকলৰ কল্যাণৰ বাবে বিশেষ মনোযোগৰ প্ৰয়োজন।

মোৰ চৰকাৰে আৰম্ভণিৰে পৰা 'সংহত শিশু উন্নয়ন আঁচনি'ৰ দৰে অভিলাষী আঁচনি (Flagship Programme) ৰূপায়ণ কৰি সৰ্বসাধাৰণ ৰাইজক উপকৃত কৰি আহিছে। সম্প্ৰতি ক্ষুদ্ৰ অংগনৱাড়ী কেন্দ্ৰকে ধৰি ৫৮,২৭৯ টা অংগনৱাড়ী কেন্দ্ৰই কাম-কাজ কৰি আছে। এই সকলো অংগনৱাড়ী কেন্দ্ৰক ছবছৰৰ তলৰ শিশু, গৰ্ভৱতী মহিলা আৰু ধাত্ৰী-মাতৃসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে 'ওপৰঞ্চি পুষ্টিকৰ আঁচনি'ৰ অধীনত সামৰি লোৱা হৈছে। মুখ্য মন্ত্ৰীৰ মহিলা সমৃদ্ধি আঁচনিৰ অন্তৰ্গত ৫০০ মহিলা আত্মসহায়ক গোট সামৰি লোৱা



হৈছে। ৰাজ্যখনৰ মহিলা সবলীকৰণ সম্পৰ্কিত সকলোধৰণৰ আঁচনিৰ সমন্বয়ৰ বাবে মহিলাৰ উন্নয়ন পৰিষদখনক শীৰ্ষ নিকায় হিচাপে গঠনৰ প্ৰক্ৰিয়া চলি আছে। সকলো অসংগঠিত ভূমিহীন শ্ৰমিকৰ জীৱনৰ বীমাকৰণৰ বাবে আম আদমী বীমা যোজনাৰ অন্তৰ্গত আঁচনি এখন গ্ৰহণ কৰা হৈছে।

শাৰীৰিকভাৱে অক্ষম লোকৰ নিবনুৱা ভাত্তা আৰু শাৰীৰিকভাৱে অক্ষম শিশু থকা পৰিয়াললৈ ভাত্তা আগবঢ়োৱা আঁচনিৰ অন্তৰ্গত মোৰ চৰকাৰে ৬,৫৩০ জন হিতাধিকাৰীক ৩৯৬.০০ লাখ টকা মোকোলাই দিছে।

কিশোৰ অপৰাধী ন্যায় ব্যৱস্থাটোৰ শক্তিশালীকৰণ আৰু ৰাজ্যখনত শিশুসকলৰ নিৰাপত্তামূলক কাম-কাজ গ্ৰহণ কৰাৰ বাবে তথা শিশু সৰবৰাহ আৰু শিশু নিপীড়ন নিয়ন্ত্ৰণ কৰাৰ বাবে মোৰ চৰকাৰে ভাৰত চৰকাৰৰ লগত সংহত শিশু নিৰাপত্তা সেৱা অব্যাহত ৰখাৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।

২০১২-১৩ বৰ্ষৰ সময়ছোৱাত মোৰ চৰকাৰে মাহে ৩৮,২৪৮ মেট্ৰিকটন চাউল দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ পৰিয়াললৈ আৰু ৩৯,৬০২ মেট্ৰিকটন চাউল দাৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ মাজত বিতৰণ কৰিছে আৰু অন্ত্যোদয়া অন্নযোজনাৰ অধীনত ২৪,৬৪১ মেট্ৰিকটন চাউল ক্ৰমে ১৯.০৬ লাখ দাৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু ৪০.২০ লাখ দাৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছে। বিশেষ আবণ্টনৰ জৰিয়তে ভাৰতীয় খাদ্য নিগম আৰু ৰে'লৱেৰ সমন্বয়ত ১৪,১৪৩ মেট্ৰিকটন ঘেহু তদৰ্থ ভিত্তিত যোগান ধৰা হৈছে। ভাৰত চৰকাৰৰ দ্বাৰা খাদ্য নিৰাপত্তা আইনখন অলপতে প্ৰণয়ন কৰা হ'ব বুলি লক্ষ্য ৰাখি খাদ্য শস্যৰ যোগানৰ পৰিমাণ বাঢ়িব বুলি আশা কৰা হৈছে। সেই অৰ্থে অসম চৰকাৰে গুদামসমূহৰ সক্ষমতা ৬.৮২ লাখ মেট্ৰিকটনলৈ বৃদ্ধি কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্য মন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনাৰ অন্তৰ্গত এক বিশেষ পৰিয়াল পৰিচয় পত্ৰৰ বিপৰীতে প্ৰত্যেকটো হিতাধিকাৰী পৰিয়ালকে প্ৰতি মাহত ২০ কেজিকৈ চাউল দাৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ বাবে

নিৰ্দ্ধাৰিত মূল্যত প্ৰদান কৰা হৈছে। ৰাজ্যখনত পৰিয়াল পৰিচয় পত্ৰ প্ৰাপ্তসকলক বিতৰণ ব্যৱস্থাৰ সামগ্ৰীসমূহ যাতে স্বচ্ছতাসহ, দায়িত্বসহকাৰে আৰু ফলপ্ৰসূভাৱে প্ৰদান কৰিব পৰা যায় তাৰ বাবে বায়'মেট্ৰিক পৰিয়াল পৰিচয় পত্ৰ আৰু ৰেচন কাৰ্ড আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে। সামগ্ৰীসমূহৰ পাইকাৰী আৰু খুচুৰা মূল্যৰ মাজত কম ব্যৱধান ৰাখিবলৈ প্ৰচেষ্টা অব্যাহত আছে। তদাৰকী আৰু নিৰীক্ষণ কমিটী গঠন কৰা হৈছে আৰু এইবোৰে সকলো ক্ষেত্ৰতে কাম-কাজ চলাই আছে।

ৰাজ্যখনৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ সৰ্বাঙ্গীণ উন্নয়নৰ হকে মোৰ চৰকাৰে নীতি আৰু আঁচনি উদ্ভাৱন তথা ৰূপায়ণ কৰিছে। ইয়াৰ উপৰি ২০১২-১৩ বৰ্ষৰ সময়ছোৱাত ৬ খন স্বায়ত্বশাসিত পৰিষদ আৰু বি টি চি ত পুঁজি আৱণ্টন বৃদ্ধি কৰা হৈছে যাতে পৰিষদ এলেকাত উন্নয়নৰ কাম-কাজ চলাব পৰা যায়। উত্তৰ কাছাৰ আৰু কাৰ্বি আংলঙ জিলাৰে গঠিত অসমৰ পাৰ্বত্য অঞ্চল প্ৰাকৃতিক সৌন্দৰ্য আৰু মূল্যৱান প্ৰাকৃতিক সমলেৰে আশীৰ্বাদপুষ্ট। মোৰ চৰকাৰ এই পাৰ্বত্য এলেকাৰ সৰ্বাঙ্গীণ কল্যাণৰ বাবে দৃঢ়ভাৱে দায়বদ্ধ আৰু দুয়োখন স্বায়ত্ত শাসিত পৰিষদলৈ অধিক ক্ষমতা প্ৰদান কৰা হৈছে। ই এলেকাসমূহত বিভিন্ন ক্ষেত্ৰৰ উন্নয়নৰ কাম-কাজত এক নতুন মাত্ৰা প্ৰদান কৰিছে। মোৰ চৰকাৰে চাহ জনজাতিৰ লোকসকলৰ প্ৰয়োজনীয়তাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছে যাতে ৰাজ্যখনৰ চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ লোকসকলৰ সকলো ধৰণৰ উন্নয়নৰ বাবে উপায় উদ্ভাৱন কৰিব পৰা যায়। গ্ৰাম্যাঞ্চলৰ চাহ বাগিচা অঞ্চলৰ মহিলাসকলৰ হিতৰ বাবে ১০০ টা হস্তশিল্প উন্নয়ন কেন্দ্ৰ স্থাপনকে ধৰি হস্ততাঁত আৰু বস্ত্ৰ শিল্প, চাহ, নাৰ্চাৰী, বিউটি পাৰ্লাৰ আদিত আত্ম সংস্থাপনমুখী আঁচনিৰ কথা ভবা হৈছে।

ৰাজ্যখনৰ সংখ্যালঘু সম্প্ৰদায়ৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে মোৰ চৰকাৰে বিভিন্ন আঁচনি আৰু পদক্ষেপ গ্ৰহণ কৰিছে। আমাৰ চৰকাৰে বিভিন্ন উন্নয়নমূলক আৰু কল্যাণমুখী আঁচনিৰে চৰ এলেকাত বাস কৰা লোক সকলৰ



আৰ্থ-সামাজিক অৱস্থাৰ বিকাশৰ ক্ষেত্ৰত জোৰ দিছে।

ৰাজ্য চৰকাৰে ৰাজ্যখনৰ শিশু শ্ৰমিক চিনাক্ত আৰু উদ্ধাৰৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিছে। ঘৰুৱা কাম-বনৰ কাৰণে ১৪ বছৰৰ তলৰ শিশুক নিয়োগ কৰাটো নিষিদ্ধকৰণৰ বাবেও ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিছে। মহিলা আৰু শিশুৰ ভৱিষ্য দৰ্শন প্ৰকল্পত শিশু আৰু মহিলাৰ অধিকাৰ ৰক্ষণাবেক্ষণত মোৰ চৰকাৰে বিশেষ গুৰুত্ব দিছে।

ৰাজহুৱা পৰিবহণ ব্যৱস্থাটোক শক্তিশালী কৰাৰ প্ৰতি আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। বিগত তিনিটা বছৰৰ ভিতৰত গ্ৰাম্য সংযোগীকৰণৰ বাবে ৩০০ খন বাছ ক্ৰয় কৰি চলাচল কৰোৱা হৈছে। এই বাছসমূহে গ্ৰাম্যাঞ্চলৰ পৰিবহণ দৃশ্যপটলৈ এক উল্লেখনীয় পৰিৱৰ্তন কঢ়িয়াই আনিছে। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় চহৰী নৱীকৰণ অভিযানৰ অধীনৰ ১৮২ খন বাছ প্ৰৱৰ্তনৰ দ্বাৰা মহানগৰ পৰিবহণ ব্যৱস্থাৰ মান যথাৰ্থতে উন্নীত হৈছে। বিশেষকৈ মহিলা আৰু শিশুৰ বাবে ৰাজ্যখনত নিৰাপদ ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰ ওপৰত ৰাষ্ট্ৰীয় গুৰুত্বলৈ লক্ষ্য ৰাখি মোৰ চৰকাৰে বিশেষকৈ মহিলাসকলৰ বাবে ১০ খন ল' ফ্ল'ৰ চিটি বাছৰ সেৱা আৰম্ভ কৰাৰ প্ৰস্তাৱ লৈছে। বিশেষকৈ গধুৰ যান-বাহনৰ চালকসকলক প্ৰশিক্ষণ প্ৰদান কৰাটো সুনিশ্চিত কৰাৰ অৰ্থে কামৰূপ (গ্ৰাম্য) জিলাৰ কমলপুৰত আৰু চিৰাঙত দুখন চালক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ হাতত লোৱা হৈছে। চৰকাৰে গুৱাহাটীৰ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ, যোৰহাট বিমান বন্দৰ আৰু ডিব্ৰুগড় বিমান বন্দৰৰ উন্নীতকৰণ আৰু সম্প্ৰসাৰণৰ কাম হাতত লৈছে। পঞ্জীয়ন ফলকৰ নকল আৰু জুৱাচুৰি ৰোধ কৰাৰ অৰ্থে উচ্চ সংবেদনশীল উচ্চ নিৰাপত্তাৰ পঞ্জীয়ন ফলক প্ৰদানৰ কাম আৰম্ভ কৰা হৈছে। মোৰ চৰকাৰে ৰাজহুৱা জল পৰিবহণৰ বাবে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত ৮৭ টা ফেৰী সেৱা চলাই আছে। অতিৰিক্তভাৱে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে বাণিজ্যিক সেৱাও আগবঢ়াই আছে আৰু নৌকাবিহাৰৰ সুবিধা থকা ওপঙা ৰেস্তোৰাঁ প্ৰৱৰ্তনৰ জৰিয়তে নদী

পৰ্যটনৰ উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

পৰ্যটন এনে এটা খণ্ড যি বৈদেশিক মুদ্ৰা বিনিময়ৰ লগতে ৰাজহ আৰু নিয়োগৰ সুবিধা সৃষ্টিৰ জৰিয়তে দেশৰ অৰ্থনৈতিক দৃশ্যপটৰ ধৰণটোকেই সলাই দিব পাৰে। অসমত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ কথা বিবেচনা কৰি মোৰ চৰকাৰে ৰাজ্যখনৰ পৰ্যটন খণ্ডটোক উদগণি জনোৱাৰ অৰ্থে বিভিন্ন উন্নয়নমূলক প্ৰকল্প অব্যাহত ৰাখিছে। বিগত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ৰাজ্যখনৰ বিবিধ সামগ্ৰীৰ প্ৰদৰ্শন তথা বিক্ৰীৰ বাবে দেশৰ বিভিন্ন মহানগৰ আৰু বিদেশত অসমৰ পৰ্যটন বিভাগে বিভিন্ন মেলা আৰু মহোৎসৱত অংশগ্ৰহণ কৰিছে। ভাৰতীয় হোটেল কোম্পানীৰ সহযোগত খানাপাৰাত যুটীয়া উদ্যোগত নিৰ্মাণ কৰা পঞ্চতাৰকাযুক্ত হোটেলখনকে ধৰি গুৱাহাটীত কেইবাখনো এনেধৰণৰ হোটেল নিৰ্মাণ কৰি থকা হৈছে। দেশত প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ১৮ জানুৱাৰী, ২০১৩ ৰ পৰা ২০ জানুৱাৰী, ২০১৩ লৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হৈ যায়, য'ত ২৩ খন দেশ আৰু পশ্চিমবংগ আৰু ছিকিমৰে সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰতিনিধিসমূহে অংশগ্ৰহণ কৰিছিল।

মোৰ চৰকাৰে ৰাজ্যখনত ক্ৰীড়াৰ ক্ষেত্ৰত অধিক সম্ভাৱনীয়তা উদ্ঘাটনৰ অৰ্থে আন্তঃগাঁথনিগত সা-সুবিধা উন্নীতকৰণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। খেলুৱৈসকলৰ ক্ৰীড়াৰ মান উন্নত কৰাৰ অৰ্থে ক্ৰীড়াৰ সা-সুবিধা নথকা জিলা আৰু মহকুমা সদৰ তথা উন্নয়ন খণ্ডসমূহত বৰ্তমানে থকা উক্ত সা-সুবিধাৰ উন্নীতকৰণ আৰু নতুন সা-সুবিধা সৃষ্টিৰ কাম হাতত লোৱা হৈছে। পূৰ্বতে নিৰ্মাণ কৰা ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প আৰু ক্ষুদ্ৰ ষ্টেডিয়ামসমূহৰ উন্নয়ন সাধনৰ কাম পৰ্যায়ক্ৰমে হাতত লোৱা হ'ব, যাতে খেলুৱৈসকলৰ প্ৰয়োজনীয়তাক জোৰা মৰাৰ অৰ্থে ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডতে ক্ৰীড়াৰ সা-সুবিধা মজুত থাকে। 'পঞ্চায়ত যুৱ ক্ৰীড়া আৰু খেল অভিযান' আৰু বিভিন্ন বিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতাৰ অধীনত উন্নয়ন খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত



অনুষ্ঠিত হোৱা গ্ৰাম্য ক্ৰীড়া প্ৰতিযোগিতাত উচ্চ ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰা প্ৰতিভাশালী খেলুৱৈসকলৰ বাবে উচ্চ মানবিশিষ্ট বৈজ্ঞানিক ক্ৰীড়াৰ সঁজুলিৰে সৈতে খ্যাতনামা প্ৰশিক্ষকৰ দ্বাৰা ৰাজ্যিক পৰ্যায়ৰ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা হাতত লোৱা হৈছে। ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাসমূহত ভাল প্ৰদৰ্শনক উৎসাহিত কৰাৰ অৰ্থে চৰকাৰে প্ৰতিভাশালী খেলুৱৈ আৰু ছাত্ৰ-ছাত্ৰীসকলক ক্ৰীড়াৰ জলপানি প্ৰদান কৰিছে। এই উদ্দেশ্যে ২০১৩-১৪ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাত ৭০ লাখ টকা ধাৰ্য কৰা হৈছে। ৰাষ্ট্ৰ নিৰ্মাণত যুৱক-যুৱতীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। চৰকাৰে ৰাজ্যিক পৰ্যায়ত যুৱ মহোৎসৱ, ব্যক্তিত্ব বিকাশ শিবিৰ আৰু কেৰিয়াৰ পৰামৰ্শদান শিবিৰ অনুষ্ঠিত কৰাৰ দ্বাৰা যুৱক-যুৱতী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সচেতনতা আৰু যোগাত্মক দৃষ্টিভংগী সৃষ্টি কৰিবলৈ প্ৰস্তাৱ হাতত লৈছে।

ৰাজ্যখনৰ মনোৰম সাংস্কৃতিক পৰম্পৰা, ইয়াৰ বিশুদ্ধতা আৰু বিষয়বস্তুক অটুট ৰাখি এই সংস্কৃতিৰ সংৰক্ষণ আৰু উন্নয়ন সাধনৰ প্ৰতি ৰাজ্য চৰকাৰে মনোনিৱেশ কৰিছে। ৰাজ্যখনৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিক সজীৱ আৰু সমৃদ্ধিশালী কৰাৰ অৰ্থে মোৰ চৰকাৰে কেৱল অসমতে নহয়, ভাৰত আৰু বিদেশৰ বিভিন্ন ঠাইতো গীত-মাত, নৃত্য আৰু নাটকৰ কাৰ্যসূচী অনুষ্ঠিত কৰিছে। চ্যু-কা-ফা, আজান পীৰ, শ্ৰীশ্ৰীমাধৱদেৱ, ফখৰুদ্দিন আলি আহমেদ, বীৰ চিলাৰায়, কৃষ্ণকান্ত সন্দিকৈ, নটসূৰ্য্য ফণী শৰ্মা, গণেশ গগৈ, গুৰুদেৱ কালিচৰণ ব্ৰহ্ম, ড° ভবেন্দ্ৰ নাথ শইকীয়া, ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, অমলপ্ৰভা দাস, চন্দ্ৰপ্ৰভা শইকীয়াৰ লেখীয়া অসমৰ কিংবদন্তি ব্যক্তিসকলৰ পৱিত্ৰ স্মৃতিত প্ৰৱৰ্ত্তিত নতুন বঁটা, অসম ৰত্ন তথা আন কেইটামান এনে বঁটা দেশৰ কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অসাধাৰণ বৰঙনি আগবঢ়োৱা প্ৰসিদ্ধ ব্যক্তিসকললৈ তেওঁলোকৰ অৱদানৰ চিনস্বৰূপে প্ৰদান কৰা হৈছে। আমাৰ চৰকাৰে ৰাজ্যখনৰ পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিস্তম্ভসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ ওপৰত

যথোচিত গুৰুত্ব প্ৰদান কৰিছে। গুৱাহাটীত থকা অসম ৰাজ্যিক সংগ্ৰহালয়টোক ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ সমপৰ্যায়ৰ কৰি গঢ়ি তুলিবলৈ পদক্ষেপ লোৱা হৈছে।

গোটা আৱৰ্জনা নিষ্কাশন ব্যৱস্থাপনা আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ অসম বিকাশ যোজনাৰ অধীনত অসমৰ চহৰাঞ্চলত বসবাস কৰি থকা লোকসকললৈ আৱৰ্জনা নিষ্কাশন আৰু পথ পৰিষ্কাৰকৰণ যন্ত্ৰ ইত্যাদিৰ লেখীয়া সঁজুলি ব্যৱহাৰ কৰি পথ আৰু নলা নৰ্দমাৰ পৰিষ্কাৰকৰণৰ দৰে প্ৰাথমিক সা-সুবিধা আগবঢ়াই আছে। বৰ্ত্তমান অসমৰ নগৰ অঞ্চলত ক্ষুদ্ৰ আৰু মজলীয়া চহৰসমূহৰ উন্নয়নৰ বাবে ৬৮৯.৪৮ কোটি টকাৰ প্ৰকল্প ব্যয়ত নগৰীয়া স্থানীয় নিকায় আৰু উন্নয়ন প্ৰাধিকৰণৰ জৰিয়তে ১১১ টা বৃহৎ আন্তঃগাথঁনিগত প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে। ৩৩০.০২ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰে হকাৰ আৰু খুচুৰা ব্যৱসায়ীসকলৰ পুনৰ সংস্থাপন কেন্দ্ৰ, ট্ৰাক টাৰ্মিনাচ, বহুমুখী গৃহ, পথ, বৃহৎ নলা নৰ্দমা ব্যৱস্থা, ব্যাৱসায়িক কেন্দ্ৰ, বাণিজ্যিক প্ৰকল্প, টাউন হল, আমোদ-প্ৰমোদ কেন্দ্ৰ, খেলপথাৰ, পানীযোগান প্ৰকল্প, বহুমহলীয়া কাৰ পাৰ্কিং ইত্যাদিৰ লেখীয়া আন্তঃগাথঁনিগত উন্নয়নৰ বাবে কেইবাটাও প্ৰকল্পত অনুমোদন জনোৱা হৈছে। সংহত গৃহ নিৰ্মাণ আৰু বস্তি অঞ্চল উন্নয়ন আঁচনিৰ অধীনত বিভিন্ন চহৰত বাস কৰা নগৰীয়া দৰিদ্ৰ লোকসকলৰ বাবে ১৪২৪ টা গৃহ নিৰ্মাণ কৰা হৈছে। অপৰিশোধেয় কেন্দ্ৰীয় পুঁজি আঁচনিৰ অধীনত ভাৰত চৰকাৰে ১৯.২৪ কোটি টকা ব্যয় সাপেক্ষে 'নগাঁও চহৰ এলেকাত থকা চহৰীয়া পথৰ উন্নয়ন সাধনকে আদি কৰি পথৰ কাষৰ নলা-নৰ্দমা ব্যৱস্থা'— নামৰ এটা প্ৰকল্পত অনুমোদন দিছে। জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় নগৰীয়া নৱীকৰণ অভিযান আঁচনিৰ অধীনত দক্ষিণ গুৱাহাটী পশ্চিম পানীযোগান প্ৰকল্পৰ কাম সুচাৰুৰূপে চলি আছে। জাপান ইণ্টাৰনেচনেল কোঅ'পাৰেটিং এজেঞ্চিৰ বিত্তীয় সাহায্যও হাতত লোৱা মধ্য গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ পানীযোগান প্ৰকল্পৰ কাম ২০১৫ চনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। এছীয়ান ডেভেলপমেণ্ট বেংকৰ বিত্তীয় সাহায্যত হাতত লোৱা



দক্ষিণ গুৱাহাটী পুব পানীযোগান প্ৰকল্পৰ বাবে ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়া চলি আছে। এই প্ৰকল্পৰ অধীনত সামৰা অঞ্চল হ'ল ৭১ কিঃ মিঃ যিয়ে ১৮ টা ৱাৰ্ড অন্তৰ্ভূক্ত কৰিব। চৰকাৰে পাণবজাৰৰ মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয় চৌহদত প্ৰায় ২৫০ খন গাড়ী পাৰ্কিঙৰ ব্যৱস্থাৰে এটা আৰু পাণবজাৰৰ উৰণীয়া সেঁতুৰ ওচৰত অন্য এটা ৪০০ খন গাড়ী পাৰ্কিঙৰ ব্যৱস্থা থকা ব্যক্তিগত আৰু ৰাজহুৱা অংশীদাৰিত্বৰ আৰ্হিৰ বহুমহলীয়া গাড়ী পাৰ্কিং প্ৰকল্পৰ কাম হাতত লৈছে যি এই অঞ্চলৰ যান-জঁটৰ সমস্যা আঁতৰাব।

অসম চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ অবিৰত উন্নয়নৰ বাবে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। বিজ্ঞানক জনপ্ৰিয় আৰু অসমৰ জনসাধাৰণৰ মাজত এক বিজ্ঞানসন্মত বাতাৱৰণ প্ৰসাৰৰ বাবে মোৰ চৰকাৰে অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ তথা গুৱাহাটী তাৰকাগৃহৰ জৰিয়তে বহুতো আঁচনি ৰূপায়ণ কৰি আছে। যোৰহাট, কোকৰাঝাৰ, উত্তৰ লখিমপুৰ আৰু নলবাৰীত বিজ্ঞান কেন্দ্ৰ তথা তাৰকাগৃহ নিৰ্মাণৰ কাম চলি আছে। আওহতীয়া গাঁও বৈদ্যুতিকীকৰণ আঁচনিৰ অধীনত ৭৫০ খন গাঁৱলৈ ৩৫,৫৬৮ টা গৃহ আলোক পদ্ধতি প্ৰদান কৰা হৈছে।

ৰাজ্যখনৰ শক্তি উৎপাদনৰ সামৰ্থ্য বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। সৌৰ প্ৰকল্প স্থাপনৰ ওপৰত মোৰ চৰকাৰে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে। বৰ্তমানে ৰাজ্যখনত এ পি ডি চি এলৰ প্ৰায় ২০ লাখ নিম্ন ভল্টেজৰ উপভোক্তা আছে। অসম সচিবালয় আৰু ৰাজ্যখনৰ সকলোবোৰ উপায়ুক্তৰ কাৰ্যালয়ত উন্নত সৌৰ পোহৰ ব্যৱস্থাপনাৰ কাম হাতত লোৱাৰ বাবেও প্ৰস্তাৱ লোৱা হৈছে। শক্তি দক্ষতা আৰু ইয়াৰ সংৰক্ষণ নিশ্চিত কৰিবলৈ শক্তি সংৰক্ষণ আইনৰ অধীনত ব্যৱহাৰৰ সকলোবোৰ পদক্ষেপ লোৱাৰ বাবে চৰকাৰে উৎসাহ যোগাব। ২০১৩-১৪ চনত ৩ মেগাৱাট পৰ্যায়-II আৰু ৬ মেগাৱাট পৰ্যায়-I মাইনট্ৰিয়াম ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পৰ সেৱাও আৰম্ভ কৰা হ'ব। তদুপৰি ২০১৩-১৪ চনত ১২০ মেগাৱাট শক্তিসম্পন্ন নামনি কপিলী

জলবিদ্যুৎ প্ৰকল্পৰ কামো আৰম্ভ কৰা হ'ব। বিগত ৬ টা বছৰত ৰাজীৱ গান্ধী গ্ৰামীণ বৈদ্যুতিকীকৰণ যোজনাৰ অধীনত ৰাজ্য চৰকাৰে ব্যাপকভাৱে গ্ৰাম্য বৈদ্যুতিকীকৰণৰ কাম-কাজ হাতত লৈছে। সৰ্বমুঠ ৮,৫০৫ খন বৈদ্যুতিকীকৰণ নকৰা আৰু ১৩,০০৯ খন আংশিকভাৱে বৈদ্যুতিকীকৰণ কৰা গাঁৱত বৈদ্যুতিকীকৰণৰ কাম হাতত লোৱা হৈছে। ৭,৯৯২ খন বৈদ্যুতিকীকৰণ নকৰা আৰু ১২,৩৭৪ খন আংশিকভাৱে বৈদ্যুতিকীকৰণ কৰা গাঁৱৰ বৈদ্যুতিকীকৰণৰ কাম সম্পূৰ্ণ কৰা হৈছে। চৰকাৰে ১১ লাখতকৈ অধিক দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়াললৈ বিদ্যুৎ সংযোগ প্ৰদানৰ লক্ষ্য স্থিৰ কৰিছে আৰু আজিলৈকে প্ৰায় ৯ লাখ এনে পৰিয়াললৈ বিদ্যুৎ সংযোগ প্ৰদান কৰা হৈছে। ৰাজ্য চৰকাৰে সৌৰ শক্তিকে আদি কৰি বিকল্প শক্তি ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।

অসম চৰকাৰে শেহতীয়া বছৰসমূহত অসমৰ খনিজ সম্পদৰ উদ্‌ঘাটন আৰু উন্নয়ন সাধনৰ বাবে পৰ্যাপ্ত পদক্ষেপ হাতত লৈছে। চৰকাৰে সম্পন্ন কৰা ভূতাত্ত্বিক অনুসন্ধানৰ ফলস্বৰূপে ৰাজ্যখনত চিমেণ্ট গ্ৰেড চূণশিল, কয়লা, চীনামাটি, গ্লাছ চেণ্ড, ছিলিমেনাইট, গ্ৰেনাইট, লোৰ আকৰ ইত্যাদিৰ ভঁৰাল থকাটো প্ৰতিপন্ন হৈছে। আনহাতে, ৰাজহুৱা খণ্ডৰ গোটসমূহ, অইল ইণ্ডিয়া লিমিটেড, তেল আৰু প্ৰাকৃতিক গেছ নিগমে অসমৰ খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদনত সহায় কৰিছে। এই কাম-কাজসমূহে ৰাজ্যৰ ৰাজহ সংগ্ৰহত তাৎপৰ্যপূৰ্ণ বৰঙনি আগবঢ়াইছে। অসম খনিজ উন্নয়ন নিগম পৰিসীমিতক জড়িত কৰি যুটীয়া খণ্ডত দুটা বৃহৎ চিমেণ্ট প্ৰকল্প স্থাপনৰ বাবে মোৰ চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছে যাতে অসমৰ চূণশিলৰ ভাণ্ডাৰটোক ঔদ্যোগিক উন্নয়নৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়।

আমাৰ চৰকাৰে ৰাজ্যখনৰ বিভিন্ন ই-গৱৰ্নেঞ্চ আঁচনিৰ ৰূপায়ণৰ বাবে ভালেমান পদক্ষেপ হাতত লৈছে। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ই-গভৰ্নেঞ্চ আঁচনিৰ অধীনত উন্নয়ন খণ্ড আৰু চক্ৰ বিষয়াৰ কাৰ্যালয় আৰু মহকুমা সদৰসমূহক



জিলা সদৰলৈ আৰু অৱশেষত এইবোৰক দিছপুৰস্থিত ৰাজ্যিক মুখ্য কাৰ্যালয়লৈ সংলগ্ন কৰি আছাম ষ্টেট্‌ ৱাইড এৰিয়া নেটৱৰ্ক স্থাপন কৰা হৈছে। অনুমোদিত ৩০৪ টা পইণ্টছ অব্‌ প্ৰেজেঞ্চৰ ভিতৰত এতিয়ালৈকে ২৭১ টা পইন্টছ অব্‌ প্ৰেজেঞ্চৰ কাম সম্পন্ন কৰা হৈছে। বেছিভাগ ক্ষেত্ৰীয় কাৰ্যালয়ৰ দ্বাৰাহে ঘাইকৈ এই নেটৱৰ্কটো ব্যৱহাৰ কৰা হৈছে। নাগৰিকসকললৈ জি-২-চি আৰু বি-২-চি সেৱা প্ৰদান কৰাৰ বাবে চৰকাৰে সমগ্ৰ ৰাজ্যখনতে ৩,৮৮১ টা সাধাৰণ সেৱা কেন্দ্ৰ স্থাপন কৰিছে। ২০১২ চনৰ ডিচেম্বৰ মাহৰ পৰা তথ্য প্ৰযুক্তি, প্ৰশাসনিক সংস্কাৰ আৰু প্ৰশিক্ষণ তথা কৰ্মচাৰী বিভাগত অগ্ৰাধিকাৰ ভিত্তিত ছেক্ৰেটেৰিয়েট লেছ পেপাৰ অফিচ প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।

মোৰ চৰকাৰে বাংগালোৰ আৰু ভেলোৰত নতুন অসম ভৱন নিৰ্মাণৰ কাম কৰি আছে আৰু এয়া ইপ্সিত গতিৰে চলি আছে। এই নিৰ্মাণ কাৰ্য যাতে বাধাগ্ৰস্ত নোহোৱাকৈ চলি থাকে তাৰ বাবে পুঁজিৰ ব্যৱস্থা কৰা হৈছে। দিল্লীস্থিত অসম হাউছটো সোনকালেই ভাঙি পেলোৱা হ'ব আৰু অভাৱগ্ৰস্ত আৱাসীসকলৰ ভিৰ দূৰীকৰণৰ অৰ্থে সেই ঠাইত এটা বহুমহলীয়া অসম ভৱন নিৰ্মাণ কৰা হ'ব। শ্বিলং আৰু মুম্বাইৰ অসম হাউছৰ সম্প্ৰসাৰণেৰে কলকাতাত এটা অতিৰিক্ত বহুমহলীয়া অসম হাউছ নিৰ্মাণ কৰা হ'ব।

প্ৰাক্তন সৈনিকসকলৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি মোৰ চৰকাৰে ২০১৩-১৪ বিত্তীয় বৰ্ষৰ পৰাই সাহসিকতা বঁটাৰ বৰ্তমানৰ মঞ্জুৰিৰ পৰিমাণটো নতুনকৈ লাভ কৰা সকলৰ বাবে বৃদ্ধি কৰিব। গুৱাহাটীত নিৰ্মীয়মাণ সৈনিক জিৰণি চ'ৰা তথা কাৰ্যালয় গৃহটো বৰ্তমান সম্পূৰ্ণ হোৱাৰ পথত। প্ৰাক্তন সৈনিকসকলৰ হিতৰ বাবে সকলো জিলাৰ মুখ্য কাৰ্যালয়তে সৈনিক জিৰণি চ'ৰা স্থাপনৰ এক আঁচনিও আছে। প্ৰাক্তন সৈনিকসকলৰ কল্যাণৰ বাবে ৯ খন নতুন পলিক্লিনিক স্থাপনৰ বাবে চৰকাৰে ভূমি আৱন্টন দিছে।

স্বচ্ছ প্ৰশাসনৰ বিষয়টো সময়ৰ দাবী। জনসেৱা প্ৰদানৰ নিপুণতা বৃদ্ধিৰ বাবে মোৰ চৰকাৰে জনসাধাৰণক সময়সাপেক্ষ সেৱা প্ৰদান কৰিবলৈ আৰু

একেসময়তে জনসেৱকসকলক দায়বদ্ধ কৰি অসম জনসেৱা অধিকাৰ আইন-২০১২ ৰূপায়ণ কৰিছে।

সন্মানীয় সদস্যসকল, মই আপোনালোকৰ আগত মোৰ চৰকাৰৰ নীতি আৰু আঁচনিসমূহ উত্থাপন কৰিলো। ইয়াত থকা নীতি আৰু আঁচনিসমূহ ৰূপায়ণ কৰাৰ অৰ্থে সকলোধৰণৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ প্ৰতি মোৰ চৰকাৰ বদ্ধপৰিকৰ। মই আশা কৰো, সদনৰ আলোচনা-বিলোচনাখিনিয়ে লক্ষ্যসমূহ পূৰণ কৰাত সহায় আগবঢ়াব।

**জয়হিন্দ**

২০১৩

অসম চৰকাৰী ছপাশালত মুদ্রিত
বামুণীমৈদাম, গুৱাহাটী-২১